"এই সুযোগ, সেইকাৰণে, যাবলৈ দিয়া সমূলি যুগুত নহয়, যাতে ইমান দিনৰ মূৰত ইটালিয়ে নিজৰ মুক্তিদাতা পায়। যিবিলাক প্ৰদেশ এই বিদেশী আক্ৰমণৰ হেঁচাত জুৰুলা হৈছে সেইবিলাকত কি প্ৰেমেৰে তেওঁ আদৃত হব, প্ৰতিশোধৰ কাৰণে কি তৃষ্ণা, কি দৃঢ় আস্থা, কি প্ৰেম, কি কৃতজ্ঞতাসূচক অশ্ৰু ( তেওঁ পাব ) মই বৰ্ণনা কৰিব নোৱাৰোঁ।..."

অধ্যায়টোৰ শেহলৈ ধীৰ, বিশ্লেষণশীল মেকিয়াভেলিৰ ঠাঁচ স্বদেশপ্ৰীতিৰ জোঁৱাৰত উঠলি উঠিছে। এই স্বদেশপ্ৰেমে মেকিয়াভেলিক সেই সময়ৰ সমাজৰ চোকা সমালোচকো কৰিছে। ভেনিচ, ফ্লোৰেঞ্চ আদি ৰাজ্যত গোট খোৱা ভোগপ্ৰিয় আৰু কলাবিলাসী চহকী ব্যৱসায়ীসকল আৰু ৰোমৰ অকামিলা ধৰ্ম্মযাজকসকলৰ পৰা স্বদেশৰ হিত আশা কৰিব নোৱাৰি তেওঁ পুঁজিপতি আৰু কেথলিক ধৰ্ম্ম-ব্যৱস্থাৰ ওপৰত যথেষ্ট জগৰ দিছে। তেওঁৰ মানত চুইছসকলৰ ( চুইজাৰলেণ্ডবাসী ) সবল আৰু যুদ্ধপ্ৰিয় জীৱনধাৰা আৰ্হিৰ উপযুক্ত। ধন আৰু ধৰ্ম্মই ইটালিয়ানসকলক বীৰ্য্যহীন কৰিছে; আত্মকেন্দ্ৰী চহকী ভদ্ৰশ্ৰেণীৰ ওপৰত ভৰসা নাই, তৃতীয়া ৰাইজসকলৰ ওপৰতে যি ভৰসা কৰিব পাৰি। ভাৰা কৰি অনা সৈন্যৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰি, সেই কাৰণে ইটালীয় ৰাইজ নিজে যুদ্ধৰ কাৰণে সক্ষম হওক, যি ব্যক্তি বা ৰজা ইটালিৰ ত্ৰাণকৰ্ত্তা হ'ব তেওঁৰো নিজস্ব সৈন্যবাহিনী, বিশেষকৈ পদাতিক, থাকিব লাগে। এই সৈন্যবাহিনীৰ শক্তিৰ ওপৰতে দেশৰ সংহতি নিৰ্ভৰ কৰিব। তেওঁৰ ৰচিত 'ৰণকৌশল' কিতাপতো এই ধৰণৰ সেনাবাহিনীৰ আৱশ্যকতা ব্যাখ্যা কৰা হৈছে।

'ৰজা' কিতাপখনৰ চতুৰ্দ্দশ অধ্যায়ত ৰণ-বিজ্ঞানসম্পৰ্কে যথেষ্ট আলোচনা আছে। মেকিয়াভেলিৰ পৰ্য্যবেক্ষণ কিমান গভীৰ আছিল এই আলোচনাই তাৰ সাক্ষ্য দিয়ে। ক্লেদযুক্ত, মেৰুদণ্ডহীন সমাজৰ ওপৰত তেওঁ জাপি দিছিল পুৰণি প্ৰজাতন্ত্ৰী ৰোমৰ সতেজ আৰু

সবল সমাজৰ চানেকি। তেওঁৰ ধাৰণাত সেই সমাজত নাছিল ধৰ্ম্মৰ গ্লানি, নাছিল উদ্যম আৰু কৰ্ম্মশক্তিৰ অভাৱ। সেই সমাজৰ আদৰ্শৰ সাঁচ ইটালিবাসীৰ অন্তৰত এতিয়াও আছে, মাথোন উপযুক্ত নেতাৰ অভাৱত সি আপডাল পোৱা নাই।...দুৰ্ভাগ্যক্ৰমে মেকিয়াভেলিৰ সপোন পুৰ নহ'ল। আনহাতে মৃত্যুৰ আগে আগে নৈৰাশ্যৰ নতুন কাৰণহে লক্ষ্য কৰিবলগীয়া হ'ল। ১৫২৫ খৃষ্টাব্দত স্পেইন আৰু জাৰ্ম্মানিৰ সংযুক্ত শক্তিয়ে ইটালিত আকৌ তোলপাৰ লগালে। ৰোম জাৰ্ম্মানবিলাকে লুট কৰিলে। ফ্লোৰেঞ্চ শত্ৰুৰ সম্মুখীন হবলৈ সাজু হ'ল। নগৰবাসীয়ে মেডিচি পৰিয়ালক আকৌ খেদিলে। এইবিলাক গোলমালৰ মাজত ১৫২৭ খৃষ্টাব্দৰ ২০ জুন তাৰিখে পেটৰ বিষত মেকিয়াভেলিয়ে প্ৰাণ ত্যাগ কৰে।

## (৬)

ষোড়শ শতিকাৰ ইটালিত একতা নাছিল। দেশখনত শক্তিৰ কেন্দ্ৰ আছিল পাঁচটা—নেপল্‌ছ ৰাজ্য, ৰোমক কেন্দ্ৰ কৰি পোপৰ সত্ৰ বা ৰাজ্য, ভেনিছ, ফ্লোৰেঞ্চ আৰু মিলান। এইবিলাকৰ মাজত মিল নাছিল, ভিতৰত খৰিয়াল; আনহাতে ফ্ৰান্স আৰু স্পেইন আদি দেশে প্ৰায়ে ইটালিক জুকলা কৰিছিল। মেকিয়াভেলিয়ে একতাবদ্ধ ইটালিৰ কামনা কৰি ৰোম বা ফ্লোৰেঞ্চৰ যেই সেই এটি শক্তি কেন্দ্ৰ কৰি দেশখন লগ লগাব পাৰিলে ইটালিৰ পুৰণি গৌৰৱ উভতি আহিব বুলি সিদ্ধান্ত কৰিছিল। সেই কাৰণে তেওঁৰ কিতাপখনত এই একতাৰ পন্থাত যি যি উপায় লোৱা ভাল তাৰহে আলোচনা আছে। পিছৰ যুগত যেতিয়া জাৰ্ম্মানি এই একে সমস্যাৰ সমুখত পৰে তেতিয়া ফ্ৰেডেৰিক, বিছমাৰ্ক আদি পুৰুষে 'ৰজা' বিশেষভাবে অধ্যয়ন কৰে। যেয়ে নিজৰ শক্তি বঢ়াবলৈ কামনা

কৰিলে সেয়ে মেকিয়াভেলিব শিক্ষাব সোঁৱৰণ কবিলে। বৰ্ত্তমান শতিকাত মুছোলিনিয়ে ছাত্ৰ অৱস্থাত মেকিয়াভেলিৰ ওপবত 'থিছিছ' লিখি ডক্টৰ উপাধি লাভ কৰিছিল আৰু হিটলাৰৰ গাৰুব কাষতে 'ৰজা' পোৱা গৈছিল। মুছোলিনিয়ে মন্তব্য কবিছিল, "মোব বিশ্বাস, মেকিয়াভেলিব 'ৰজা' ৰাজনীতিজ্ঞব শ্ৰেষ্ঠ গুৰু।" লেনিন আৰু ষ্টেলিনেও মেকিয়াভেলিব খবৰ ৰাখিছিল।

মেকিয়াভেলিক বহুতে আধুনিক যুগৰ প্ৰথম চানেকি বুলি অভিহিত কৰে। তেওঁৰ বাস্তব আৰু বিশ্লেষণশীল দৃষ্টি আধুনিক যুগৰে লক্ষণ; তেওঁৰ যি মানসিক তিক্ততা বা ছিনিছিজ্‌ম্ সিও আধুনিক লোকৰে চাৰিত্ৰিক বৈশিষ্ট্য। পিছে ঘাই কথা, মেকিয়াভেলিয়ে বৰ্ত্তমান যুগৰ ৰাজনীতিমূলক চিন্তাত নতুন পৰম্পৰা বোৱালে। প্ৰাচীন ইউৰোপত ৰাজনীতিৰ যি আদৰ্শ আছিল তাৰ উঁহ পোৱা যায় ঘাইকৈ এৰিষ্টোটলৰ 'পলিটিক্স' কিতাপত নাইবা চিচেৰোৰ বচনাত। এৰিষ্টোটল আছিল নীতিবাদী আৰু তেওঁৰ ৰাজনীতিৰ পৰা নীতি বাদ নগৈছিল। এৰিষ্টোটলৰ মতে সমাজ বা ৰাষ্ট্ৰৰ লক্ষ্য হ'ল হিতসাধন; আৰু এই অৰ্থে দেশৰ ৰৰমূৰীয়াসকলৰ এনে লক্ষণ থকা যুগুত—

১। ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য।

২। যি পদত অধিষ্ঠিত সেই পদৰ উপযোগী সামৰ্থ্য।

৩। ৰাষ্ট্ৰৰ হিতৰ অৰ্থে দৰ্কাৰী গুণ আৰু ন্যায়পৰায়ণতা।

ৰাষ্ট্ৰৰ জীৱনীশক্তি কেনেকৈ ৰাখিব পাৰি সেই প্ৰসঙ্গত এৰিষ্টোটলে মন্তব্য কৰিছে যে ৰাষ্ট্ৰৰ যি পন্থা সেই অনুসৰি প্ৰজাসকলক শিক্ষা দিব পৰাটোৱেই উত্তম ব্যৱস্থা,—"এই শিক্ষা নহলে উত্তম আইনো নিৰৰ্থক।" চিচেৰোৰ মতেও শাসনকৰ্ত্তাৰ ঘাই অস্ত্ৰ হৈছে ন্যায়পৰায়ণতা, আৰু সকলো কাৰ্য্যৰ ভিত্তি হৈছে নৈতিকতা।

মেকিয়াভেলিয়ে প্ৰজাক শিক্ষা দি উপযোগী কৰা কথা ভাবিবই নোৱাৰে; তেওঁৰ মানত ৰাইজ নিৰ্ভৰযোগ্য নহয়, ৰাইজ যেন কুমাৰৰ

হাতৰ মাটিহে। 'ৰজা' কিতাপৰ প্ৰথম অধ্যায় চলিছে এইদৰে— "মানুহৰ ওপৰত জোৰ চলোৱা সকলো ৰাষ্ট্ৰ হয় ৰাজতন্ত্ৰ (ৰজাৰ দ্বাৰা শাসিত), নহয় প্ৰজাতন্ত্ৰ। ৰাজতন্ত্ৰবিলাক হয় উত্তৰাধিকাৰ-সূত্ৰে লাভ কৰা, নহয় নতুনকৈ স্থাপিত। নতুনকৈ স্থাপিতবিলাকৰ কিছুমান একেবাৰে নতুন, যেনে মিলান; আনবিলাক পুৰণি ৰাজ্যৰ ওপৰত জাপি দিয়া, যেনে স্পেইনৰ ৰজাই জয় কৰি চপাই লোৱা নেপ্‌লছ।......" সমূহৰ সম্মতিৰ ওপৰত যে ৰাজ্য বা ৰাষ্ট্ৰৰ অৱস্থিতি, বা ন্যায় বা নৈতিকতা যে ৰাজনীতিৰ ভিত্তি, এনে ভাব মেকিয়াভেলিত নাই। "সৌভাগ্য বা বিশেষ সক্ষমতাৰ হেতুহে" ৰাজ্য লাভ হয়—এয়ে তেওঁৰ পদৰ ভণিতা। তথাপি, ৰাইজৰ নিৰাপত্তা যে ৰজা নাইবা শাসনকৰ্ত্তাৰ ব্যক্তিগত স্বাৰ্থৰ ওপৰত এই নীতি মেকিয়াভেলিৰ চিন্তাৰ আঁৰত লুকাই নথকা বুলি কব নোৱাৰি।

মেকিয়াভেলিৰ ৰাজনীতিত ৰাষ্ট্ৰ বা ষ্টেইট্ ৰাইজৰ ওপৰ উঠিল, এৰিষ্টোটলৰ ক্ষেত্ৰত এইটো হব পৰা নাছিল। আধুনিক নেশ্যন ষ্টেইট্ বা জাতীয় ভাৰত গঢ় লৈ শক্তিমান হৈ পিছত আনক খুন্দিয়াব খোজা ৰাষ্ট্ৰৰ সংকেত মেকিয়াভেলিৰ চিন্তাতে দেখা যায়। অৱশ্যে এইখিনিতে কোৱা যুগুত যে দলাদলি আৰু অনৈক্যৰ ঢৌত হেন্দুলি থকা ইটালিত শান্তি আৰু একতাৰ উদ্দেশ্যে মেকিয়াভেলিয়ে এজন শক্তিমান শাসনকৰ্ত্তাৰ আৱশ্যকতা উপলব্ধি কৰিবলৈ বাধ্য হৈছিল; তেওঁৰ প্ৰথম আৱশ্যকতা আছিল এনে শাসনকৰ্ত্তা যিজনৰ শাসন শক্তিশালী আৰু যি সংহতি স্থাপন কৰি দেশত শৃঙ্খলা আনিব পাৰে। সেই সময়ৰ সমস্যাবোৰৰ কথা ভাবিলে মেকিয়াভেলিৰ দৃষ্টিভঙ্গী প্ৰগতিশালীয়ে আছিল বুলি কব পাৰি। পিছৰ যুগত টমাছ হব্‌ছেও দেশৰ শান্তি আৰু শৃঙ্খলা ৰক্ষাৰ উদ্দেশ্যে শক্তিক ওখ আসন দিছিল। ঐক্য আৰু শৃঙ্খলাৰ উদ্দেশ্যে শক্তিৰ যি সাৰ্থকতা আৰু ফেছীবাদী ৰাষ্ট্ৰৰ শক্তিৰ কাৰণে যি আগ্ৰহ—এই দুইৰ মাজত যথেষ্ট পাৰ্থক্য

আছে। সেই কাৰণে মেকিয়াভেলিক শক্তি বা জোৰৰ পুৰোহিত বুলি কলে অন্যায় হয়। স্বদেশৰ স্থিতি আৰু নিৰাপত্তাহে মেকিয়াভেলিৰ প্ৰথম চিন্তা। 'ডিছকৰ্ছে'জ' নামৰ কিতাপৰ তৃতীয় খণ্ডত তেওঁ এই বুলি অভিমত প্ৰকাশ কৰিছে— "পিতৃভূমিৰ নিৰাপত্তা লৈ যেতিয়া কথা উঠে তেতিয়া ন্যায় বা অন্যায়, দয়া বা নিষ্ঠুৰতা, সন্মান বা অসন্মান—এনে কথা উঠিব নোৱাৰে; বৰং যি উপায় ললে স্বদেশৰ জীৱন আৰু স্বাধীনতা ৰক্ষা পৰে তাৰ কথাহে উঠা যুগুত।"

( ৭ )

সেই সময়ৰ ইটালীয় সমাজৰ ক্লেদ আৰু অনৈতিকতা লক্ষ্য কৰি মেকিয়াভেলিয়ে নিজৰ ভাব-চিন্তা যে ৰাজনৈতিক ৰচনাতে প্ৰকাশ কৰিছিল এনে নহয়, তেওঁৰ সামাজিক প্ৰত্যক্ষৰ এটি লুটি আন ধৰণৰ ৰচনাত লক্ষ্য কৰিব পাৰি। তেওঁ নাট্যকাৰো আছিল আৰু তেওঁৰ ৰচিত নাটকৰ ভিতৰত 'লা মাণ্ড্ৰাগোলা' নামৰখনৰ বিশেষ সুখ্যাতি। ইটালিত সেই যুগত পুৰণি লেটিন ভাষাত ৰচিত নাটকৰ প্ৰভাৱ একাষৰীয়াকৈ থৈ নতুন এক শ্ৰেণীৰ ৰচনা সুকয়া ৰূপ এটিত গুলাবলৈ ধৰিছিল। নতুন নাটক আছিল ঘাইকৈ ৰঙ্গনাটশ্ৰেণীৰ আৰু মেকিয়াভেলিৰ সমসাময়িক নাট্যকাৰ ওৰিয়োষ্টোৰ ৰচনাই পিচত ইংলণ্ডৰ শ্বেকছপিয়াৰকো আখ্যানবস্তুৰে সমল যোগাব পাৰিছিল। নাটকবিলাকৰ ৰস আৰু ব্যঙ্গই আমোদ দিয়ে, যদিও এইবিলাক শ্বেকছপিয়াৰৰ ৰঙ্গনাটৰ দৰে কাব্যিক গুণসম্পন্ন আৰু মাৰ্জিত ৰুচিৰ নহয়। 'লা মাণ্ড্ৰাগোলা' নাটকহিচাবে আমোদজনক আৰু প্ৰকৃতিত ব্যঙ্গাত্মক। এইখনে হেৰাং লোকৰ কাৰ্য্য আৰু লম্পট লোকৰ ধূৰ্ত্তামিৰ ছবি এটি দাঙি ধৰিছে।


মাণ্ড্ৰাগোলা বা মেন্‌ড্ৰেইক শতমূলৰ দৰে এৰিধ আলু। এই

আলু হেনো ডাঙৰ ঔষধি, সন্তানহীনা নাৰীয়েও ইয়াৰ পৰা তৈয়াৰ কৰা দৰব খাই সন্তান লাভ কৰিব পাৰে। এই আলু বা মূলৰ ব্যৱহাৰ প্ৰাচীন হিব্ৰুসকলৰ মাজতো আছিল। এই আলুৰ নামতে নাটকখনৰো নাম। নাটকৰ আখ্যান এই ধৰণৰ—

ফ্লোৰেঞ্চ নগৰৰ ডাঙৰীয়া নিচিয়া কালফুচ্ছিৰ ঘৈণীয়েক লুক্ৰেজিয়াৰ ৰূপৰ খ্যাতি বহুতো। এওঁক চাবলৈ ডেকা কালিমাকো পেৰিছৰ পৰা ফ্লোৰেঞ্চ পালেহি। কালিমাকো তিৰোতাজনীৰ ৰূপত মোহ গ'ল আৰু তেওঁক কেনেকৈ পাব পাৰি তাৰ চিন্তা কৰিলে। ইফালে নিচিয়াৰ নাই সন্তান, তেওঁক সন্তান লাগে। এই কথা জানিব পাৰি লিগুৰিয়ো নামে এক লাঠুৰাই হেবাং নিচিয়াক জনালে বোলে এক ডাঙৰ বৈদ্য আহিছে, এওঁ দৰব খুৱাই লুক্ৰেজিয়াক ধুৰূপ সন্তান-সম্ভৱা কৰিব। নিচিয়াই এই সংবাদত তৃপ্তি পালে। লিগুৰিয়োৱে জনালে বোলে যে যি মহা-ঔষধি দিয়া হব সি ভয়ানক বস্তু, তাক খোৱাৰ পিচত তিৰোতাজনীৰ লগত যি পুৰুষ প্ৰথম শোৱে তেওঁৰ অনিবাৰ্য্য মৃত্যু, পিচত হলে আৰু একো ভয়ৰ কাৰণ নাথাকে। সি প্ৰস্তাব কৰিলে বোলে কোনোবা অজ্ঞাত ডেকা এজনক ধৰি-বান্ধি আনি প্ৰথম দিনা শুবলৈ দিয়া হওক। এই সকলো ব্যৱস্থাত অলপ কথাতে পতিয়ন যোৱা নিচিয়াই সাগ্ৰহে সম্মতি দিলে। ইয়াৰ পিচত বৈদ্য আহিল। দৰব খুওৱা হল, আৰু দৰব খুওৱাৰ পিচত 'অজ্ঞাত' ডেকাজনৰ লগত শুবলৈ লুক্ৰেজিয়াকো বৰাই-বুজাই মান্তি কৰোৱা হল। কবই নালাগে বৈদ্য আৰু অজ্ঞাত ডেকা দুই ভেশত মানুহ একেজনেই আৰু সি হ'ল ধুৰন্ধৰ কালিমাকো।

নাটকখনৰ ভাষা প্ৰাঞ্জল গদ্য, বাক্যবিলাকো কথোপকথনৰ উপযোগী পাতল অথচ শ্লেষাত্মক। তেওঁৰ তিনিওখন উল্লেখযোগ্য নাটকতে মেকিয়াভেলিয়ে শক্তিৰ পৰিচয় দিব পাৰিছে। তেওঁ এখন উপন্যাস আৰু কিছু পদ্যও ৰচনা কৰিছিল। অৱশ্যে সাহিত্যিক-হিচাবে তেওঁৰ খ্যাতিৰ হেতু দুটি—এক, 'লা মাণ্ড্ৰাগোলা' ৰঙ্গনাট;

দুই, তেওঁৰ পৈনত গদ্যশৈলী। ইটালীয় গদ্যৰ বিবৰ্ত্তনত মেকিয়া-ভেলিৰ বৰঙণি আওকান কৰিব নোৱাৰি। সাধাৰণতে অৱশ্যে 'ৰজা' পুথিৰ খ্যাতি বা কুখ্যাতিয়ে এই লিখকৰ আন ৰচনাবিলাকৰ যে সাৰ্থকতা কিবা আছে এনে ভাব উপজিবৰ অৱকাশকে নিদিয়ে। 'ৰজা' ৰচনা কৰি মেকিয়াভেলিয়ে যি কুখ্যাতি আৰ্জিছিল, সেই কুখ্যাতি তেওঁৰ নিজৰ দেশ ইটালিতে কম নাছিল। পোপসকলৰ সৰহভাগ আছিল ধুৰন্ধৰ, কিন্তু তেওঁলোকৰ 'বিদ্যা' ৰাইজৰ আগত মুকলি কৰি দেখুওৱা বুলিও কিতাপখনৰ বদনাম হৈছিল। যোৱা শতিকাৰ গুৰিভাগত, যেতিয়া জাতীয়তাবাদী ৰাষ্ট্ৰৰ দৰ্শন হেগেল আদি চিন্তাবীৰে ব্যাখ্যা কৰি দেখুৱালে, কিতাপখনৰ বৈজ্ঞানিক আৰু তাত্ত্বিক সাৰ্থকতা মানুহৰ চকুত পৰিবলৈ ধৰিলে। ১৮৬৯ খৃষ্টাব্দত তেওঁৰ চাৰিশবছৰীয়া জন্মবাৰ্ষিকী সংহতিৰ পথত আগ বঢ়া ইটালীয়সকলে জাতীয় উৎসৱৰূপে পালন কৰিছিল। তেওঁৰ জন্মস্থান ফ্লোৰেন্সে তেওঁৰ কবৰৰ ওপৰত এক ফলক স্থাপন কৰি লিখি দিছিল এইদৰে—"এনে মহান নামৰ কাৰণে কোনো সম্মানেই উপযুক্ত নহয়।"



শেক্‌ছপিয়াৰ

# নাট্যকাৰ উইলিয়াম শ্বেক্‌ছপিয়াৰ

(১)

আমাৰ দেশত যেনেকৈ পাঁচ-ছয় শতিকাৰ আগেয়ে সংস্কৃত ভাষাৰ ৰচনাৱলীৰ সহায়ত বৈষ্ণৱসকলে গোটেই ভাৰততে স্থানীয় সাহিত্যক গঢ় দিছিল, সেইদৰে প্ৰায় একে সময়তে ইউৰোপত ৰিনাচেঞ্চ বা নবাভ্যুদয় যুগত পুৰণি গ্ৰীক আৰু লেটিন ভাষাৰ যি চৰ্চ্চা চলিল তাৰ পটভূমিকাত স্পেইন, ইংলণ্ড আদি দেশতো একশ্ৰেণীৰ সাহিত্যিকে অভিনৱ ৰচনাৰে মানৱ-মন আন্দোলিত কৰিছিল। সংস্কৃত সাহিত্যৰ প্ৰভাৱত আওহতীয়াকৈ প্ৰাদেশিক ভাষাই জীপ ললে; গ্ৰীক লেটিন চৰ্চ্চা কৰা পণ্ডিতসকলৰ উত্তমৰ পৰোক্ষ ফলস্বৰূপে লোপে ডে ভাগা, মাৰ্লো, শ্বেক্‌ছপিয়াৰ আদি সাহিত্যিকৰ জন্ম হ'ল; গ্ৰীক আৰু লেটিন নাটক আৰু উপন্যাস আদিৰ চৰ্চ্চা আৰু অনুবাদে স্বদেশীয় সাহিত্যক বাট দেখুৱালে।

ষোড়শ শতিকাৰ শেষভাগৰ লণ্ডন চহৰ বাণিজ্যৰ বিৰাট কেন্দ্ৰ; ইউৰোপৰ নানান ঠাইৰ লোক তাত গোট খায়, চহকী ইংৰাজ ভদ্ৰলোকসকলেও গাৱঁৰ ঘৰ এৰি লণ্ডন চহৰত বাস কৰিছেহি। অৱস্থাপন্ন পৰিয়ালৰ ডেকাই ইটালি, ফ্ৰান্স আদি দেশলৈ গৈ লাহ-বিলাহ বা নতুন পাপৰ আহিঁ কিবা শিকি আহিলে লণ্ডনতে তাৰ পৰিচয় দিয়ে। এই সময়তে ইংৰাজ আৰু আন ইউৰোপীয় নাৱিক আৰু দুঃসাহসী লোকে সাগৰৰ দিগ্বলয় ভেদ কৰি অজান দেশ আৱিষ্কাৰ কৰে আৰু নিজ নিজ দেশলৈ ধন-সোণেই নহয়, নতুন ফলমূলৰ সঁচও কোঁচাই আনে। এক নতুন জগতৰ অস্পষ্ট অথচ উত্তেজক কাহিনী সকলোৰে মুখে মুখে; চাৰিওফালে নতুন কথা

আৰু ন ন চৰ্চ্চাৰ কোঢ়াল। বাক্‌পটুতা আৰু ৰূপ, শৌৰ্য্য আৰু গুণ—এইবিলাক হৈছে নতুন সমাজৰ জখলাত বগাবলৈ নতুন সামগ্ৰী। আনহাতে এই সময়ত নিষ্ঠুৰতা, কামুকতা, ভণ্ডামি আদি অসৎ গুণৰো চৰ্চ্চা কম নহল। অলপ দোষত ফাঁচীকাঠত ওলমিব লগা হোৱা, অলপ কাৰণতে খাপৰ পৰা তৰোৱাল উলিওৱা আৰু ভালুক, কুকুৰ আদিৰ ওপৰত অত্যাচাৰ কৰি উত্তেজনাপূৰ্ণ ধেমালিৰ প্ৰচলন এই সময়ৰে বিশেষত্ব। এফালে ৰক্তপাত, আনফালে সুকুমাৰ বৃত্তিৰ কৰ্ষণ—এনে বৈষম্যপূৰ্ণ পৰিবেশতে থিয়েটাৰ ঘৰত আড্ডা দিয়া আৰু নাট্যৰ পৰিপোষণ কৰা এটি ফেশ্বন হৈ পৰিল।

১৫৭৬ খ্ৰীষ্টাব্দত লণ্ডনত প্ৰথম থিয়েটাৰ ঘৰ সজা হোৱাৰ পাচৰ পৰাই নাটক লিখা আৰু অভিনয় চোৱা অভ্যাস অতিপাত বাঢ়ে। দহ বছৰৰ ভিতৰতে ছটা থিয়েটাৰ কোম্পানীয়ে গঢ় লয় আৰু অলপ দিনৰ ভিতৰতে চেন্টপল গীৰ্জ্জাত গান গোৱা ডেকাসকল আৰু চেভয় গীৰ্জ্জাৰ গায়ক ডেকাসকলৰ মাজত নাট্যমঞ্চৰ গৌৰৱ আৰু মুনাফাৰ কাৰণে অৰিয়াঅৰি চলা দেখা গ'ল। দৰ্শকসকলে মুকলি মনেৰে নাটক আৰু অভিনয়ৰ গুণাগুণসম্পৰ্কে মন্তব্য কৰিবলৈ ধৰিলে, আৰু নাট্য-ব্যৱসায়ীসকলে এই সমালোচনা অসাৰ্থক নাপালে। ন ন নাটকৰ প্ৰতি ওপজা আগ্ৰহত ভাল ভাল নাটকো এবছৰ-দুবছৰতে অচল হ'ল; পুৰণি নাট্যকাৰ নতুন নাট্যকাৰৰ হেন্দোলদোপত একাষৰীয়া হৈ ৰ'ল। পুৰণি নাটক নতুন নাট্যকাৰে কাটিকুটি নকৈ সজাই উলিয়ালে। ৰঙ্গমঞ্চই ৰাণী এলিজাবেথ আৰু দেশৰ ডা-ডাঙৰীয়াসকলৰ পৃষ্ঠপোষকতা আৰু সাধাৰণ ৰাইজৰ পূৰ্ণ সহানুভূতি লাভ কৰিলে। আইনৰ চকুত অৱশ্যে অভিনেতা আৰু ৰজকৰা লাঠুৰা লোক আছিল একে পৰ্য্যায়ৰে। আনহাতে ধৰ্ম্মিষ্ঠ পিউৰিটান শ্ৰেণীৰ খৃষ্টানে নাট-ভাওনা পছন্দ নকৰিছিল।

এই প্ৰসঙ্গত এলিজাবেথীয় ৰঙ্গমঞ্চ কেনে ধৰণৰ আছিল তাৰ অলপ আভাস দিয়া যুগুত। সেই সময়ৰ টেমজ্ নদীৰ দক্ষিণে থকা

প্ৰখ্যাত গ্লোব থিয়েটাৰৰ কালি ৫৫×৫৫ বৰ্গফুটমানহে আছিল, আৰু তাৰ ভিতৰতে মঞ্চৰ দীঘ ৪৩ ফুট আৰু বহল ২৭ ফুটমান।* থিয়েটাৰৰ এমূৰে ছোঁঘৰৰ লেখিয়া সৰু ঘৰ এটি, তাৰ পৰা সমুখলৈ মঞ্চ দৰ্শকসকলৰ মাজলৈ ওলাই অহা। ঘৰটো দুমহলীয়া। কাৰেং বা ওখ অট্টালিকাৰ পৰা কথা কোৱা বুজাব লাগিলে জুলিয়েট আদিয়ে এই খিৰিকীয়েদি বচন মাতে, নহলে তলতে সকলো কাৰবাৰ। দৃশ্যৰ সলনি বুজাবলৈ ছিন নাই, মাথোন যবনিকাৰ পৰ্দ্দা এখন। কিবা স্থান বা হাবি বা যুদ্ধক্ষেত্ৰৰ সংকেত দিবলৈ বহুত সময়ত এডোখৰ কাঠত লিখি দিয়া হয়। স্থান বা সময়ৰ পৰিবৰ্ত্তনৰ সংকেত নাট্যকাৰে বচনবোৰৰ জৰিয়তে দিয়ে। শেক্‌ছপিয়াৰৰ ৰচনাত ইয়াৰ চানেকি—

এহ্‌, চোৱা, ৰঙচুৱা সাজেৰে সৌ প্ৰভাত
আহিছে পূবৰ পৰ্ব্বতৰ নিয়ৰ গচকি। ('হেমলেট')

মঞ্চৰ তিনিফাল মুকলি আৰু অৱস্থাপন্ন দৰ্শকে কেতিয়াবা মঞ্চৰ ওপৰতো টুল লৈ বহিব পাৰে। ইমান অকণমান ঠাইত আৰু ইমান ওচৰাওচৰিকৈ অভিনয় কৰা আৰু দৰ্শন কৰাৰ ফলত অভিনেতা আৰু দৰ্শকৰ মাজত যেন ঘৰুৱা সম্বন্ধ, এটি বিশেষ সহৃদয়তা। ছিন নোহোৱাৰ কাৰণে অৱশ্যে নাটকৰ ঘটনা বেগাই চলিব পাৰিছিল। অভিনয় হৈছিল আবেলি সময়ত, আৰু থিয়েটাৰৰ ওপৰত প্ৰথম কেইবছৰত চাল নাছিল। গ্লোব থিয়েটাৰতে শেক্‌ছপিয়াৰৰ সৰহ নাটক মঞ্চস্থ কৰা হয়।

## (২)

লোকে লিখা নাটকৰ ওপৰত ওস্তাদী কৰা এই ডেকাসকলৰ মাজতে পোনতে প্ৰথমে ১৫৯২ চনত শেক্‌ছপিয়াৰৰ দৰ্শন লাভ কৰা

* G. B. Harrison, *Introduciug Shakespeare* (Pelican) 1939. গ্লোব থিয়েটাৰ সজা ঠিকাদাৰে পিচত ফৰচুন থিয়েটাৰ এই জোখতে সাজে।

যায়। ৰবার্ট গ্রীন নামে নাট্যকাৰ এজনৰ এই সময়ত দুর্গতি—খাবলৈ নাই, বেমাৰ, মৃত্যু ওচৰ চাপিছে; এওঁ ডেকা শ্বেক্‌ছপিয়াৰৰ প্রতিপত্তি সহ্য কৰিব নোৱাৰি তেওঁক "আমাৰ পাখি লৈ পেখম ধৰা কাউৰী" বুলি উপহাস কৰিছিল। বদনামৰ বোকোচাত উঠিয়ে শ্বেক্‌ছপিয়াৰৰ আৱিৰ্ভাব, যদিও তেওঁৰ সদনাম গোৱা মানুহৰো অভাৱ নাছিল। এইবিলাকলৈ সম্প্রতি নগৈ এই নতুন প্রতিভাশালী নাট্যকাৰজননো কোন, চোৱা যাওক।

শ্বেক্‌ছপিয়াৰ বিশ্বৰ শ্রেষ্ঠ নাট্যকাৰ আৰু কবি বুলি জনাজাত, যদিও তেওঁৰ জীৱনীৰ সমল গধুৰ নহয়। আনকি তেওঁক ১৫৯২ খ্রীষ্টাব্দত লণ্ডনত পোৱা প্রমাণৰ বাহিৰে তাৰ আগখিনিৰ কেইবছৰমান তেওঁ ক'ত আছিল বা কি কৰিছিল তাৰ যথাযথ সন্ধিধান নাপায়। তথাপি শ্বেক্‌ছপিয়াৰক জন্মৰ পিচত গীর্জ্জালৈ নাম দিবলৈ নিয়া তাৰিখ, তেওঁৰ মৃত্যুৰ তাৰিখ, তেওঁৰ বিয়াৰ লাইচেঞ্চ, মৃত্যুৰ সময়ত থৈ যোৱা উইল, জীৱনকালত বেচাকিনা কৰা মাটি-ঘৰৰ দলিল, খাজনা দিয়া হিচাব, মোকৰ্দ্দমাৰ কাগজ, থিয়েটাৰ কোম্পানীৰ লগত থকা সম্বন্ধ, তেওঁৰ বন্ধুবান্ধৱৰ নাম আদি বহুতো সঠিক সংবাদ জীৱনীৰ সমলহিচাবে পোৱা যায়। সমসাময়িক নাট্যকাৰ বা লিখকৰ ৰচনাতো শ্বেক্‌ছপিয়াৰৰ উল্লেখ আছে।

তেওঁৰ মৃত্যুৰ পিচত ১৬২৩ খ্রীষ্টাব্দত তেওঁৰ ৰচনা হেমিঞ্জেচ আৰু কণ্ডেল নামে দুজন অভিনেতা-বন্ধুৱে ছপাই উলিয়ায়; এই কিতাপখনত নাট্যকাৰ বেন জনছনে শ্বেক্‌ছপিয়াৰৰ বিষয়ে প্রশংসাসূচক মন্তব্য কৰিছে। সেই সময়ত নাট আদি প্রকাশ বা অভিনয় হলে যি চৰকাৰী ৰেজিষ্টাৰত লিখি থোৱা হৈছিল তাত শ্বেক্‌ছপিয়াৰৰ কিছুমান নাটকৰ ৰচনাকালৰ বিষয়ে জানিব পাৰি। ১৫৯৮ খ্রীষ্টাব্দত ফ্রান্সিচ মিয়াৰ্ছ নামে এজনে নাট্যকাৰ আৰু কবিহিচাবে শ্বেক্‌ছপিয়াৰক ওখ আসন দি তেওঁৰ দুটিমান কবিতা, ছখন ৰঙ্গনাট আৰু ছখন ট্রেজেডিৰ উল্লেখ কৰিছে। ইয়াৰ উপৰি তেওঁৰ মৃত্যুৰ

পাচত, বিশেষকৈ সপ্তদশ শতিকাত, কিছুমান পৰম্পৰা বা গুজৱ ওলায়। দুই-এজনে এওঁৰ বিষয়ে জীৱনী ৰচে আৰু আন দুই-একে মুখে মুখে চলা পৰম্পৰাবোৰ সংগ্ৰহ কৰে। এনে এজন প্ৰতিভা-শালী লিখকৰ বিষয়ে যে মানুহৰ কৌতূহল উপজিব তাত সন্দেহ নাই, সেই কাৰণেই এই পৰম্পৰাবোৰ সংগ্ৰহ কৰা হৈছিল। আধুনিক পণ্ডিতসকলে অৱশ্যে এই মৌখিক বিশ্বাসবিলাকত বেছি মূল্য দিব নোখোজে, কিন্তু শ্বেক্‌ছপিয়াৰৰ ব্যক্তিগত জীৱনৰ এন্ধাৰ ঠাই কেতবিলাকত এইবিলাকে পোহৰ পেলাবলৈ চেষ্টা কৰে। পিচলৈ মানুহৰ মনত এনে ভাবে খোপনি পুতিছিল যেন এই অসীম প্ৰতিভাশালী লিখকজনৰ স্কুলীয়া বা পুথিগত বিদ্যা একো নাছিলেই, তেওঁৰ 'মিঠা' ৰচনাবিলাক যেন প্ৰকৃতিৰ পৰা পোৱা প্ৰেৰণাৰহে ফল; আন লিখকৰ ব্যক্তিত্ব বিশ্লেষণ কৰিব পাৰি, কিন্তু এওঁৰ নোৱাৰি; ইত্যাদি। এইবিলাক কাৰণতে সৃষ্টি হৈছিল কেতবোৰ প্ৰবাদ, যিবোৰৰ মূল্যাঙ্কন কৰা টান হৈ পৰে।

পিতা-মাতাৰ তৃতীয় সন্তান উইলিয়ামৰ ১৫৬৪ খ্ৰীষ্টাব্দৰ ২৩ এপ্ৰিলমানত জন্ম হয়। পিতৃ জন শ্বেক্‌ছপিয়াৰ এভন নৈৰ পাৰৰ সৰু মফচলীয়া চহৰ ষ্ট্ৰেটফোৰ্ডৰ টাউন কাউন্সিল বা নগৰ-সভাৰ সভ্য। তেওঁৰ খেতি-বাতিৰ লগত সম্বন্ধ আৰু উল আৰু চামৰাৰ বস্তু বেচা এখন দোকানো আছিল, আৰু চহকী নহলেও উইলিয়াম ল'ৰা হৈ থকা কালছোৱাত তেওঁৰ অৱস্থা বেয়া নাছিল। টাউন কাউন্সিলৰ সভ্যৰ ল'ৰাহিচাপে উইলিয়াম শ্বেক্‌ছপিয়াৰৰ স্কুলীয়া মাচুল নালাগিছিল। শ্বেক্‌ছপিয়াৰে যে চহৰৰ গ্ৰামাৰ (হাই) স্কুলত পঢ়িছিল তাৰ অৱশ্যে সমসাময়িক সাক্ষ্য একো নাই, কিন্তু তেওঁ যে পঢ়িছিল আৰু লেটিন ভাষাত কিছু ব্যুৎপত্তি লভিছিল, এই কথাত সন্দেহ নাই। শ্বেক্‌ছপিয়াৰৰ মাক অৱস্থাপন্ন খেতিয়কৰ ছোৱালী আৰু তেওঁৰ বংশৰ খ্যাতিও কম নহয়। মাকৰ প্ৰভাৱতে হওক বা যি কাৰণতে হওক, শ্বেক্‌ছপিয়াৰৰ মধ্যবিত্ত পৰিয়ালে সমাজৰ জখলাত

উঠিবলৈ চেষ্টা কৰিছিল। এনে অৱস্থাত ঘৰৰ প্ৰথম ল'ৰাক স্কুললৈ নপঠিওৱাৰ যুক্তি নাই। ষ্ট্ৰেটফোৰ্ডৰ স্কুলত লেটিন ভাষাৰ চৰ্চ্চা ভালকৈয়ে হৈছিল; ছাত্ৰবিলাকে লেটিন নাটকবো অভিনয় কৰিছিল। শ্বেক্‌ছপিয়াৰৰ নাটকবোৰৰ সাক্ষ্যমতে লিখা-পঢ়া শিকাৰ উপৰিও ভদ্ৰ-সমাজ আৰু গাৱঁলীয়া জীৱনৰ সৈতে তেওঁৰ যথেষ্ট পৰিচয় আছিল। তেওঁৰ নাটকৰ পৰা যি বুজিব পাৰি সম্ভৱ তেওঁৰ স্কুলত ৰাপ নাছিল, বৰং পথাৰে-সমাৰে প্ৰকৃতিৰ বুকুত গছ-গছনিৰ সৌন্দৰ্য্য আৰু কেঁচু-কুমতি, চৰাই-চিৰ্কতিৰ জীৱন চাই ফুৰিবলৈ ভাল পাইছিল। সেই সময়ৰ নীৰস শিক্ষাপদ্ধতি আৰু চেকনিৰ কোবে অনুভূতিশীল লোকক আকৰ্ষণ কৰিব নোৱাৰাটোৱে স্বাভাৱিক। আৰু এটা ভয়ানক কথা—স্কুল বহিছিল জাৰকালি পুৱা সাত বজাত, গৰমকালি ছয় বজাত, চলিছিল আবেলি পাঁচ বজালৈ। মাজত অৱশ্যে পুৱাৰ জলপান আৰু দুপৰীয়াৰ আহাৰৰ বাবে ছুটি আছিল। বছৰত মুঠ বন্ধ আছিল চল্লিশ দিন।

তেওঁৰ স্কুলীয়া শিক্ষাসম্বন্ধে এইখিনিয়ে কৈ থব পাৰি যে সেই সময়ৰ প্ৰচলিত লিলিৰ লেটিন ব্যাকৰণ আৰু পুৰণি কবি ওভিড আৰু নাট্যকাৰ চেনেকা আদিৰ ৰচনাৰ উল্লেখ বা প্ৰভাৱ নাটক-বিলাকত লক্ষ্য কৰিব পাৰি। ফ্ৰান্সিচ মিয়াৰ্ছে শ্বেক্‌ছপিয়াৰৰ আগবয়সৰ 'মিঠা' কবিতাবিলাক লক্ষ্য কৰি তেওঁক ওভিডৰ লগতে বিজাইছিল। তেওঁ যে ইটালীয় ভাষা জানিছিল তাৰ প্ৰমাণো ওলায়।

চাৰে-ওঠৰ বছৰ বয়সত তেওঁতকৈ ৮ বছৰে ডাঙৰ গাভৰু এজনীৰে সৈতে শ্বেক্‌ছপিয়াৰৰ বিয়া হয়। সম্ভৱ এন্ হেথ্‌এৱেৰ লগত ডেকা শ্বেক্‌ছপিয়াৰৰ অবৈধ সম্বন্ধ হয় আৰু সেইকাৰণেই লৰা-ধপৰাকৈ বিয়াখন পাতিব লগাত পৰে। বিয়াৰ ছমাহমানৰ পাচতে ছুজানা নামে ছোৱালী এজনী ওপজে। অৱশ্যে এনেকৈয়ে কোৱা হয় যে সেইসময়ত বিয়াৰ বান্ধ বৰ কঢ়া নাছিল আৰু